**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-06-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

## Headlines

১। ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত অহা নৱেম্বৰৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ।

২। দূৰদৰ্শনযোগে মহাবীৰ লাচিত বৰফুকনৰ জীৱন সম্পৰ্কে সম্প্ৰচাৰ কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু প্ৰসাৰ ভাৰতীৰ মাজত স্বাক্ষৰিত বুজাবুজিৰ চুক্তিত কেবিনেটৰ অনুমোদন।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন ডি এৰ নতুন চৰকাৰ গঠনৰ প্ৰস্তুতি অব্যাহত। নতুন দিল্লীত কাইলৈ এন ডি এ নৱ-নিৰ্বাচিত সাংসদ আৰু এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ বৈঠক।

৪। সমাজ সংস্কাৰক তথা ডাইনী হত্যাৰ বিৰুদ্ধে যুঁজ দিয়া সংগ্ৰামী বীৰুবালা ৰাভাৰ স্মৃতিত ৰাজ্য চৰকাৰৰ প্ৰতিবছৰে ১৩ মে'ত কুসংস্কাৰ বিৰোধী দিৱস পালনৰ ঘোষণা।

*আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰ, পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত অহা নৱেম্বৰৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি প্ৰতিখন পঞ্চায়ত আৰু জিলা পৰিষদ যাতে দুটা বিধানসভা সমষ্টিৰ অন্তৰ্গত নহয়, এই কথাত গুৰুত্ব আৰোপ কৰা হ'ব। লোকসভা নিৰ্বাচনৰ পূৰ্বে অৰুণোদয় আঁচনি ৰাজ্যখনৰ সৰ্বাধিক সংখ্যক লোকৰ মাজলৈ লৈ যোৱাৰ বাবে দিয়া প্ৰতিশ্ৰুতি পূৰণৰ বাবে কেনেধৰণে বা কিমান সংখ্যক লোকক ইয়াৰ দ্বাৰা সামৰি লোৱা হ'ব, সেই সন্দৰ্ভত চালি-জাৰি চোৱাৰ বাবেও সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ বাবে মন্ত্ৰী অজন্তা নেওগ, ৰণোজ পেগু, বিমল বৰা, কেশৱ মহন্ত আৰু ৰঞ্জিত কুমাৰ দাসক লৈ এখন কেবিনেট উপ-সমিতি গঠন কৰি এই আঁচনি ৰূপায়ণ কৰিবলৈ ৰাজ্যখনৰ বিত্তীয় ব্যৱস্থা কিমানদূৰ সমৰ্থ হ'ব, সেইবিষয়ে এমাহৰ ভিতৰত পৰামৰ্শ দাখিলৰ নিৰ্দেশ দিয়া হৈছে। চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ বাবে পৰামৰ্শদান সমিতিয়ে ইতিমধ্যে ইউনেস্ক'লৈ ইতিবাচক প্ৰতিবেদন প্ৰেৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা মাহত ভাৰতৰ অধ্যক্ষতাত নতুন দিল্লীত ইউনেস্ক'ৰ বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত নতুন দিল্লীত থকা ইউনেস্ক'ৰ প্ৰতিখন সদস্যৰাষ্ট্ৰৰ দূতাবাসৰ সৈতে ৰাজ্য চৰকাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত যোগাযোগ কৰিব বুলি কেবিনেটত সিদ্ধান্ত লোৱা হয়। আজিৰ কেবিনেটত দূৰদৰ্শনযোগে মহাবীৰ লাচিত বৰফুকনৰ জীৱন সম্পৰ্কে ৫২ টা খণ্ডত সম্প্ৰচাৰ কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু প্ৰসাৰ ভাৰতীয়ে ১০ কোটি টকাকৈ ব্যয় কৰাৰ বাবে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তিত অনুমোদন জনোৱা হয়। নিযুত মইনা আঁচনিৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰীসকলক ১০ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰীসকলক ১২ হাজাৰ টকাকৈ প্ৰদান সন্দৰ্ভত সকলো দিশ চালি-জাৰি চাই সাদিনৰ ভিতৰত অৱগত কৰিবলৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু চন্দ্ৰমোহন পাটোৱাৰীক বৈঠকত দায়িত্ব অৰ্পণ কৰা হৈছে। মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাই ৫০ হাজাৰ টকা পৰ্যন্ত দিয়াৰ সিদ্ধান্ত অহা আগষ্টতে ৰূপায়ণ কৰাৰ বাবেও

বৈঠকত কোৱা হৈছে। আনহাতে, ১৫ লাখ ব্যক্তিক নতুনকৈ ৰেচন কাৰ্ড প্ৰদানৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়। আজিৰ বৈঠকত ৰাজ্যখনৰ বান পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবেও বিভিন্ন ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইফালে, আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত ঋণৰ বাবে আবেদন কৰা ৩০ হাজাৰ গৰাকী বাছনিপ্ৰাপ্ত যুৱক-যুৱতীক ঋণ প্ৰদানৰ বিষয়েও কেবিনেটত সিদ্ধান্ত লোৱা হৈছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন মন্ত্ৰীসভাৰ শপত গ্ৰহণৰ বাবে প্ৰস্তুতি অব্যাহত আছে। উল্লেখযোগ্য যে লোকসভাৰ ৫৪৩ খন আসনৰ ভিতৰত বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা অৰ্থাৎ এন ডি এই ২৯৩ খন আসন লাভ কৰি তৃতীয়বাৰৰ বাবে ক্ষমতা দখলৰ দিশে আগবাঢ়িছে। কালি প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ লগতে মন্ত্ৰীসভাৰ সদস্যসকলৰ পদত্যাগ পত্ৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক দাখিল কৰিছিল। ৰাষ্ট্ৰপতিগৰাকীয়ে পদত্যাগ পত্ৰ গ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীক নতুন চৰকাৰ গঠন নোহোৱা পৰ্যন্ত কাৰ্যভাৰ চলাই নিবলৈ আহ্বান জনাইছিল। এই শপত গ্ৰহণ অনুষ্ঠানত প্ৰতিবেশী ৰাষ্ট্ৰ শ্ৰীলংকা, বাংলাদেশ, ভূটান, নেপাল আৰু মৰিছাছৰ ৰাষ্ট্ৰপ্ৰধান নাইবা চৰকাৰৰ মুৰব্বীয়ে অংশগ্ৰহণ কৰিব। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ বাবে কাইলৈ বিয়লি নতুন দিল্লীত উপস্থিত হ'ব আৰু শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰি পুনৰ ৯ জুনত ঢাকালৈ উভতি যাব। ফোনযোগে হোৱা বাৰ্তালাপত শ্ৰীমোদীয়ে বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীক শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনায়।

ইপিনে, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰণিল উইক্ৰেমসিংহেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানলৈ জনোৱা আমন্ত্ৰণৰ প্ৰতি সঁহাৰি জনাইছে। ফোন কলৰ উপৰিও এটা সামাজিক মাধ্যমৰ বাৰ্তাত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে অলপতে হৈ যোৱা নিৰ্বাচনত এন ডি এ চৰকাৰে সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ বাবে আৰু একেৰাহে তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জনায়।

oooooooo

ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা-এন ডি এই চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ হোৱাৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ সভাপতি জে পি নাড্ডাই আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী আৰু দলটোৰ জ্যেষ্ঠ নেতাসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, মনসুখ মন্দাভিয়া, পীয়ুষ গোৱেল, অশ্বিনী বৈষ্ণৱকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। ইপিনে, বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ নেতা নীতিশ কুমাৰৰ ৰাষ্ট্ৰীয় ৰাজধানীত থকা বাসগৃহতো দলটোৰ কেইবাগৰাকীও নেতাই এখন বৈঠকত মিলিত হয়। এন ডি এৰ নেতাসকলে সৰ্বসন্মতিক্ৰমে নৰেন্দ্ৰ মোদীক তেওঁলোকৰ নেতা নিৰ্বাচিত কৰাৰ এদিন পাছতে এই বৈঠক অনুষ্ঠিত হৈছে। কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ সংসদীয় দলৰ এখন বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত বিজেপি, টিডিপি, জেডিইউ, এল জে পি-আৰ, শিৱসেনা-সিন্দে গোট, জে ডি এছ আৰু এন ডি এৰ আন আন সহযোগী দলসমূহৰ নৱনিৰ্বাচিত সাংসদসকল উপস্থিত থকাৰ কথা। কালি এন ডি এৰ বৈঠকত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতবৰ্ষৰ প্ৰতিটো ক্ষেত্ৰতে সৰ্বাংগীন বিকাশ হৈছে বুলি এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই প্ৰস্তাৱত দেশৰ জনসাধাৰণে ছটা দশকৰ পাছত একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে একক সংখ্যাগৰিষ্ঠতাৰে এটা শক্তিশালী নেতৃত্বক নিৰ্বাচিত কৰিছে বুলিও উল্লেখ কৰা হৈছে।

নতুন চৰকাৰ গঠন সন্দৰ্ভত সহযোগী দলসমূহৰ নেতা তথা বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে আলোচনা-বিলোচনা অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও আজি নতুন দিল্লীলৈ ৰাওনা হ'ব। চৰকাৰ গঠনৰ শেহতীয়া প্ৰেক্ষাপট সন্দৰ্ভত এয়া নতুন দিল্লীৰ পৰা সাংবাদিক সিদ্ধাৰ্থ ভট্টাচাৰ্য –

ooooooo

এন ডি এৰ নতুন চৰকাৰত জে ডি ইউয়ে মন্ত্ৰীপদ লাভৰ বাবে কোনোধৰণৰ চৰ্ত আৰোপ কৰা নাই বুলি আজি প্ৰকাশ কৰিছে। দলটোৰ মুখপাত্ৰ কে চি ত্যাগীয়ে কয় যে বিজেপিৰ সভাপতি জে পি নাড্ডাই কেন্দ্ৰীয় মন্ত্ৰী

ৰাজনাথ সিঙক এন ডি এৰ সহযোগী দলসমূহৰ সৈতে মন্ত্ৰীসভা গঠন সম্পৰ্কত আলোচনা কৰাৰ দায়িত্ব অৰ্পণ কৰিছে আৰু এই উদ্দেশ্যে আলোচনা-বিলোচনা অব্যাহত আছে। তেওঁ অৱশ্যে কয় যে, জে ডি ইউয়ে বিহাৰৰ দৰিদ্ৰতা, নিবনুৱা সমস্যা আৰু বৰ্হিৰাজ্যলৈ গমন আদিৰ দৰে ভালেমান সমস্যা সমাধানৰ বাবে ৰাজ্যখনক বিশেষ গুৰুত্ব দিয়াৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে জে ডি ইউয়ে বিহাৰত ১২খন লোকসভা আসনত বিজয়ী হৈছে। লোকসভা নিৰ্বাচনত বিজেপিয়ে একক সংখ্যাগৰিষ্ঠতা লাভৰ ক্ষেত্ৰত পিছপৰি থকাৰ বাবে এন ডি এৰ চৰকাৰ গঠনত দলটোৰ এটা বিশেষ ভূমিকা থাকিব।

০০০০০০০০

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাগেঁই কয় যে আই এন ডি আই মিত্ৰজোঁটে লোকসভাত সক্ৰিয় বিৰোধী ভূমিকা পালন কৰিব। তেওঁলোকে জনসাধাৰণৰ ইচ্ছা-আকাংক্ষা বিজেপি চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱাত বাধা আৰোপ কৰাৰ বাবে উচিত সময়ত যথোচিত সিদ্ধান্ত গ্ৰহণ কৰিব বুলি শ্ৰী খাগেঁই প্ৰকাশ কৰে। তেওঁ কয় যে আই এন ডি আই মিত্ৰজোঁটে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি ৰক্ষাৰ চেষ্টা কৰিব।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অভিযুক্তক গ্ৰেপ্তাৰৰ ক্ষেত্ৰত অন্তৰ্বৰ্তীকালীন জামিনৰ নিৰ্দেশনা উলংঘা কৰাৰ অভিযোগত লখিমপুৰ জিলাৰ ঘিলামৰা থানাৰ উপ-পৰিদৰ্শক নয়নজ্যোতি ডেকালৈ জাননী প্ৰেৰণ কৰিবলৈ পঞ্জীয়কক নিৰ্দেশ দিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অৰুণদেৱ চৌধুৰীৰ এজনীয়া বিচাৰপীঠে লখিমপুৰ জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ জৰিয়তে এই নিৰ্দেশ দিয়ে। ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি অন্তৰৰ্ত্তীকালীন জামিন প্ৰদানৰ পাছতো অভিযুক্তক গ্ৰেপ্তাৰ কৰা সন্দৰ্ভত উপ-পৰিদৰ্শক নয়নজ্যোতি ডেকাই কাৰণ ব্যাখ্যা কৰিব লাগিব। উল্লেখযোগ্য যে উচ্চ ন্যায়ালয়ে যোৱা ২২ মে'ত এজন অভিযুক্তক অন্তৰৰ্ত্তীকালীন জামিন প্ৰদান কৰিছিল। জামিনৰ নিৰ্দেশ দিয়াৰ পিছতো গোচৰৰ তদন্তকাৰী বিষয়া তথা উপ-পৰিদৰ্শক নয়নজ্যোতি ডেকাই অভযুিক্তজনক গ্ৰেপ্তাৰ কৰে। এই ঘটনা দৃষ্টিগোচৰ হোৱাৰ পাছতেই উপ-পৰিদৰ্শকগৰাকীলৈ আদালতৰ নিৰ্দেশ অমান্য কৰাৰ অভিযোগত জাননী প্ৰেৰণ কৰিবলৈ পঞ্জীয়কক নিৰ্দেশ দিছে।

০০০০০০০

সমাজ সংস্কাৰক তথা ডাইনী হত্যাৰ বিৰুদ্ধে যুঁজ দিয়া সংগ্ৰামী বীৰুবালা ৰাভাৰ মৃত্যু দিনটো অৰ্থাৎ ১৩ মে'ত কুসংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি কেবিনেট বৈঠকৰ পাছত ঘোষণা কৰিছে। ইয়াৰ পূৰ্বে তেওঁ আজি গোৱালপাৰা জিলাৰ ঠাকুৰবিলাত থকা প্ৰয়াত বীৰুবালা ৰাভাৰ ঘৰত উপস্থিত হৈ পৰিয়ালবৰ্গক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। বীৰুবালা ৰাভাৰ আদৰ্শক সৰোগত কৰি কুসংস্কাৰৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত ৰখাটো সকলোৰে দায়িত্ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। লগতে পৰিয়ালৰ অনুৰোধৰ প্ৰতি লক্ষ্য ৰাখি মিছন বীৰুবালা শক্তিশালী কৰা আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদে ব্ৰঞ্জৰ মূৰ্তি নিৰ্মাণ কৰাত ৰাজ্য চৰকাৰে সহায় কৰিব বুলি তেওঁ কয়। প্ৰয়াত ৰাভাৰ নামৰ অক্ষয় বন্তি জ্বলাই ৰখাৰ বাবেও ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ আশ্বাস দিয়ে।

০০০০০০০০

যোৱা ২৪ ঘণ্টাত বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত অসমৰ বান পৰিস্থিতি কিছু উন্নত হৈছে। শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা ২ লাখ ৪৬ হাজাৰলৈ হ্ৰাস পাইছে। ইপিনে, কাছাৰত এজন লোকৰ মৃত্যু হোৱাৰ পাছত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫লৈ বৃদ্ধি পাইছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি কাছাৰ, কৰিমগঞ্জ, মৰিগাঁও, হোজাই, নগাঁও, ডিমা হাচাও, হাইলাকান্দি আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ কিছু কিছু এলেকা এতিয়াও বানৰ কবলত আছে। ৩৭৫খন গাঁৱৰ ২২ হাজাৰতকৈও অধিক লোক সম্প্ৰতি ১১২টা সাহায্য শিবিৰত আশ্ৰয় লোৱাৰ লগতে ৫ হাজাৰ হেক্টৰতকৈও অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে।

বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসমৰ লগতে উত্তৰ-পূবৰ ৰাজ্যকেইখনত পাতলীয়াৰ পৰা মজলীয়া আৰু বিজুলী-গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ইপিনে, ৰাজ্যৰ বিভিন্ন স্থানত বানৰ লগতে খহনীয়াৰ সমস্যাই ভাবুকিৰ সৃষ্টি কৰিছে। কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ সৰলপাৰা গাঁৱৰ সৰলভাঙা নৈৰ খহনীয়াই ভালেমান অঞ্চল খহাই নিয়াৰ উপক্ৰম হৈছে। জনসাধাৰণে বিটিআৰ প্ৰশাসন আৰু অসম চৰকাৰক এই সমস্যাৰ সমাধান বিচাৰি আহ্বান জনাইছে। একেদৰে কপিলী নৈৰ বানে যমুনামুখৰ নিকটৱৰ্তী কুম্ভিৰডুবি অঞ্চল ক্ষতিগ্ৰস্ত কৰিছে। অঞ্চলটোৰ ঠায়ে ঠায়ে কেইবাটাও পথ বানে ছিগি পেলোৱাত যাতায়াতৰ সমস্যা হৈছে।

০০০০০০০

মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই জিলাখনত জল জীৱন অভিযানৰ অধীনত ঘৰে ঘৰে নলযোগে পানী যোগানৰ আঁচনিৰ কাম অহা ২০ জুনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ ঠিকাদাৰসকলক নিৰ্দেশ দিছে। এই নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে তেনে ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বা কাম বাতিল কৰা হ'ব বুলি তেওঁ স্পষ্ট কৰি দিছে। জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত বৈঠকত জল জীৱন অভিযানৰ অধীনত ৰূপায়িত আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লৈ তেওঁ ঠিকাদাৰসকলক অসম্পূৰ্ণ কামসমূহ অহা ২০ জুনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে তেওঁ সময় মতে কাম সম্পূৰ্ণ কৰিব নোৱাৰাৰ বাবে একাংশ ঠিকাদাৰক জবাবদিহী কৰে। ৰাইজক খোৱাপানীৰ পৰা বঞ্চিত কৰাৰ অধিকাৰ নাই বুলি উল্লেখ কৰি তেওঁ এনে কাৰ্যক দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তাক কাম নকৰা ঠিকাদাৰৰ নাম উল্লেখ কৰাৰ লগতে অসুবিধাসমূহ লিখি শীঘ্ৰেই জিলা আয়ুক্তক প্ৰতিবেদন দাখিল কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে।

০০০০০০০

কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত আজি অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা পৰিচালিত অৰিয়েণ্টেচন প্ৰগ্ৰেম অন টিচিং মেথ'ড'লজী ফৰ টীচাৰ্ছ অব চায়েন্স এণ্ড মেথমেটিকছ্ শীৰ্ষক প্ৰশিক্ষণ কাসূচী অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ মুঠ ৩৩টা হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ একোজনকৈ গণিত আৰু বিজ্ঞান বিষয়ৰ শিক্ষকে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত মাধ্যমিক শিক্ষা পৰিষদে ইতিমধ্যে গ্ৰহণ কৰা প্ৰশ্নকাকতৰ ধৰণ পৰিৱৰ্তনৰ ফলত শিক্ষণ ব্যৱস্থাৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপ সন্দৰ্ভত প্ৰশিক্ষণত আলোচনা কৰা হয়। এই কাৰ্যসূচীত বিজ্ঞান বিষয়ৰ সমল ব্যক্তি হিচাপে আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিকৰ শিক্ষয়িত্ৰী সংগীতা শৰ্মা, স্বৰ্ণ বিদ্যাপীঠৰ শিক্ষয়িত্ৰী ভৱানী দাস আৰু গোপাল বড়ো চৰকাৰী উচ্চতৰ মাধ্যমিকৰ শিক্ষয়িত্ৰী বৰ্ণালী শৰ্মা উপস্থিত থাকে। আনহাতে, গণিত বিষয়ৰ সমল ব্যক্তি হিচাপে বোন্দা আঞ্চলিক উচ্চ মাধ্যমিকৰ শিক্ষক নীলকমল মিশ্ৰ, ধাৰাপুৰ উচ্চতম মাধ্যমিকৰ শিক্ষক হিমাংশু কলিতা আৰু পাণ্ডু আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক দিপু কুমাৰ দাসে অংশগ্ৰহণ কৰে।

০০০০০০০০

উৎকোচ গ্ৰহণৰ অভিযোগত দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে কামৰূপ মহানগৰ জিলাৰ গুৱাহাটী ৰাজহ চক্ৰ কাৰ্যালয়ৰ লাটমণ্ডল স্বপ্না মেধি আৰু মফুজুৰ ৰহমান নামৰ এজন মধ্যভোগীক গ্ৰেপ্তাৰ কৰিছে। মাটিৰ নামজাৰিৰ নামত এজন লোকৰ পৰা উৎকোচ লওতেই পূৰ্বৰে পৰা খাপ পিতি থকা অভিযানকাৰী দলে মধ্যভোগীজনক গ্ৰেপ্তাৰ কৰে। ইয়াৰ পিছত অভিযুক্ত মধ্যভোগীজনৰ পৰা উৎকোচৰ ধন লওতেই দলটোৱে লাটমণ্ডল স্বপ্না মেধিক গ্ৰেপ্তাৰ কৰে।

০০০০০০০

অসম মাধ্যমিক শিক্ষা পৰিষদে নৱম আৰু দশম শ্ৰেণীৰ ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰবটিক্স বিষয় সন্দৰ্ভত বৰপেটা জিলাৰ হাউলী মহাবিদ্যালয়ত আজি এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। বৰপেটা আৰু বজালী জিলাৰ প্ৰধান শিক্ষক আৰু অধ্যক্ষসকলে এই আলোচনাচক্ৰ অংশগ্ৰহণ কৰে। আলোচনাচক্ৰত সাম্প্ৰতিক সময়ত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োজনীয়তা, ব্যৱহাৰিতা আৰু বিভিন্ন কাৰিকৰী দিশ সম্পৰ্কে আলোকপাত কৰা হয়। অনুষ্ঠানত কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন এটা এপ্‌ও মুকলি কৰা হয়। আলোচনাচক্ৰত অংশ লোৱা সমল ব্যক্তিসকলে বিদ্যালয়ৰ স্মাৰ্টছ শ্ৰেণীকোঠা, টেলি-এডুকেশ্যন সম্পৰ্কত বিশদভাৱে আলোচনা কৰা লগতে ইয়াৰ গুৰুত্ব সম্পৰ্কে অৱগত কৰে।

0000000

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত আজি ডালাছৰ গ্ৰেণ্ড প্ৰেইৰী ষ্টেডিয়ামত আমেৰিকা যুক্তৰাষ্ট্ৰ, পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৯ বজাত আৰম্ভ হ'ব। আন এখন খেলত বাৰ্বাডোজৰ কেন্সিংটন অভেলত নামিবিয়া, স্কটলেণ্ডৰ সন্মুখীন হ'ব।

ইপিনে, আজি পুৱা অনুষ্ঠিত দুখন খেলত অষ্ট্ৰেলিয়াই ওমানক ৩৯ ৰানত আৰু উগাণ্ডাই পাপুৱা নিউ গিনিক ৩ উইকেটত পৰাস্ত কৰে।

প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ পৰৱৰ্তী খেল দুখনত ভাৰত অহা ৯ আৰু ১২ জুনত ক্ৰমে পাকিস্তান আৰু সহ আয়োজক আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটো ফ্লৰিডাত ১৫ জুনত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত কানাডাৰ মুখামুখি হ'ব।

00000000

**সমাপ্ত**